**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::::::::::::**

# HEADLINES

১। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি পুৱা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি যোৰহাটত ১৭ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষ ১২টা বৃহৎ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

৩। আসন্ন লোকসভা নিৰ্বাচনৰ বাবে কংগেছৰ ৩৯ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ।

৪। চেণ্টাৰ ফৰ ৰিচাৰ্ছ অন এনাৰ্জী এণ্ড ক্লীন এয়াৰৰ অধ্যয়নত দেশৰ ভিতৰত সবাতোকৈ স্বচ্ছ নগৰ শিৱসাগৰ আৰু প্ৰদূষিত নগৰৰ তালিকাত প্ৰথম বৰ্ণিহাট, পঞ্চমত নলবাৰী।

*আৰু*

৫। ভাৰতৰ সাত্বিকছাইৰাজ ৰানকীৰেড্ডী আৰু চিৰাগ ছেট্টীৰ যুটিৰ ফ্ৰেন্স অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবল্‌ছৰ ছেমি ফাইনেলত প্ৰৱেশ।

০০০০০০০০

দুদিনীয়া ভ্ৰমণসূচী লৈ অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱাই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত জীপ আৰু হাঁতী ছাফাৰি কৰি উদ্যানখনৰ নৈসৰ্গিক শোভা উপভোগ কৰে। কটকটীয়া নিৰাপত্তা বেষ্টনিৰ মাজেৰে প্ৰধানমন্ত্ৰী মোদীয়ে বন বিভাগৰ আটাইতকৈ বিশ্বস্ত হাতী প্ৰদ্যুনৰ পিঠিত উঠি উদ্যানখনৰ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰে।

প্ৰধানমন্ত্ৰীগৰাকীৰ কাজিৰঙা ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় উদ্যানখনৰ কঁহৰা বনাঞ্চলত কালি আৰু আজি পৰ্যটকৰ বাবে জীপ ছাফাৰী বন্ধ ৰখা হৈছে। আজি হাতী ছাফাৰীও বন্ধ ৰখা হৈছে। প্ৰধানমন্ত্ৰীৰ আগমনৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা বনাঞ্চলৰ প্ৰৱেশ দ্বাৰ, আৰক্ষী অতিথিশালা আদি ন-ৰূপত সজাই-পৰাই তোলা হৈছে।

কাজিৰঙাৰ পৰা প্ৰধানমন্ত্ৰীয়ে অৰুণাচল প্ৰদেশৰ ইটানগৰলৈ ৰাওনা হ'ব। তাত তেওঁ বিকশিত ভাৰত, বিকশিত উত্তৰ-পূব শীৰ্ষক অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে ছেলা সুৰংগ ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব আৰু প্ৰায় ১০ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ উন্নতি আঁচনিৰ শুভাৰম্ভ কৰিব। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে প্ৰায় ৫৫ হাজাৰ ৬০০ কোটি টকাৰে ৰূপায়ণ কৰিবলগীয়া মণিপুৰ, মেঘালয়, নাগালেণ্ড, ছিকিম, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

অৰুণাচলৰ প্ৰদেশৰ পৰা উভতি আহি প্ৰধানমন্ত্ৰীগৰাকীয়ে বিয়লি যোৰহাটৰ হোলোঙাপথাৰত লাচিত বৰফুকন মৈদাম উন্নয়ন প্ৰকল্পৰ অধীনত আহোম ৰাজত্বকালৰ মহান যোদ্ধা তথা অসমীয়া জাতিৰ শৌৰ্য-বীৰ্য, সাহস আৰু প্ৰেৰণাৰ প্ৰতীক বীৰ লাচিত বৰফুকনৰ ৮৪ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব। বিশাল প্ৰতিমূৰ্তিটোৰ মুঠ উচ্চতা হৈছে ১২৫ ফুট আৰু বেদীৰ উচ্চতা ৪১ ফুট। এই প্ৰকল্পত টাই-আহোম সংগ্ৰাহলয়ৰ

লগতে ৫০০ খন আসনৰ প্ৰেক্ষাগৃহও নিৰ্মাণ কৰা হৈছে। এই কাৰ্যসূচীৰ পাছতেই প্ৰধানমন্ত্ৰীগৰাকীয়ে যোৰহাট নগৰৰ সমীপৰ মেলেং মেটেলী পথাৰত এখন জনসভাত ভাগ ল'ব।

পাছত শ্ৰী মোদী পশ্চিমবংগৰ শিলিগুড়িলৈ যাব আৰু বিয়লি এটা ৰাজহুৱা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। শ্ৰী মোদীয়ে পশ্চিমবংগত প্ৰায় ৪ হাজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষ একাধিক উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। সন্ধিয়াৰ ভাগলৈ প্ৰধানমন্ত্ৰী উত্তৰ প্ৰদেশৰ বাৰানসীত উপস্থিত হ'ব আৰু শ্ৰীকাশী বিশ্বনাথ মন্দিৰত পূজা-অৰ্চনা আগবঢ়াব।

প্ৰধানমন্ত্ৰীয়ে কাইলৈ উত্তৰ প্ৰদেশত ৪২ হাজাৰ কোটিৰো অধিক টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। বিয়লিৰ ভাগলৈ প্ৰধানমন্ত্ৰীয়ে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে ছত্তিশগড়ত মহাটাৰী বন্দনা যোজনাৰ প্ৰথম কিস্তিৰ ধন মোকলাই দিব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যত মুঠ ১৭ হাজাৰ ৫০০ কোটি টকাৰ ১২ টা বৃহৎ প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন আৰু ৰাষ্ট্ৰৰ নামত উচৰ্গা কৰিব। যোৰহাটৰ মেলেং মেটেলীত আজি হ'বলগীয়া বিশেষ অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে এই প্ৰকল্পসমূহৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই অনুষ্ঠানত ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়া আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। আজি শ্ৰী মোদীয়ে ১৫ হাজাৰ ১০০ কোটি টকা ব্যয়সাপেক্ষ ৭টা প্ৰকল্পৰ উদ্বোধন আৰু দুহেজাৰ ৪০০ কোটি টকা ব্যয়সাপেক্ষ ৫টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহে গ্ৰাম্য উন্নয়ন, স্বাস্থ্য, হাইড্ৰ'কাৰ্বন আৰু ৰে'লৰে খণ্ডক সামৰি ল'ব। প্ৰধানমন্ত্ৰীয়ে মুঠ ৮ হাজাৰ ৫০০ কোটি টকা ব্যয়েৰে প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত নিৰ্মাণ কৰা ৫ লাখ ৫৫ হাজাৰ ৫৫৫ টা আবাসগৃহত আনুষ্ঠানিকভাৱে গৃহপ্ৰৱেশ মুকলি কৰিব। স্বাস্থ্য প্ৰকল্পৰ অধীনত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় মুকলি কৰাৰ লগতে ডিমৌত ১০০ খন আসনযুক্ত চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, গুৱাহাটীৰ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানত ৰক্তজনিত কৰ্কট ৰোগ আৰু শিশুৰ কৰ্কট ৰোগৰ চিকিৎসাকেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰিব। হাইড্ৰ'কাৰ্বন প্ৰকল্পৰ অধীনত শ্ৰী মোদীয়ে বাৰাউনী -গুৱাহাটী প্ৰাকৃতিক গেছ পাইপ লাইন, নাহৰকটীয়া-বাৰাউনী খাৰুৱা তেলৰ পাইপ লাইনৰ বাৰাউনী-বঙাইগাঁও-গুৱাহাটী খণ্ডৰ পাম্পিং ক্ষমতা বৰ্ধিতকৰণ আৰু দুলীয়াজানৰ ১ নম্বৰ পাম্প ষ্টেচনৰ পৰা ডিগবৈ শোধনাগাৰলৈ খাৰুৱা তেলৰ স্পাৰ লাইনৰ প্ৰতিষ্ঠাপন উদ্বোধন কৰিব। তেওঁ ডিগবৈ শোধনাগাৰৰ বাৰ্ষিক ক্ষমতা বৃদ্ধিকৰণ, গুৱাহাটী শোধনাগাৰৰ বাৰ্ষিক ক্ষমতা বৃদ্ধিকৰণ আৰু ভাৰতীয় তেল নিগমৰ গুৱাহাটীৰ বেতকুছি টাৰ্মিনেলৰ সুবিধাসমূহৰ সম্প্ৰসাৰণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে ৮১০ কোটি টকা ব্যয়সাপেক্ষে নিউ বঙাইগাঁও-গোৱালপাৰা-কামাখ্যা ৰে'ললাইনৰ দ্বৈতকৰণ, ধূপধৰা-ছয়গাঁও পথৰ দ্বৈতকৰণ আৰু ৫২০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা নিউ বঙাইগাঁও-ৰঙিয়া-আগিয়াঠুৰী দ্বৈতকৰণ, নিউ বঙাইগাঁও-সৰভোগ শাখাৰ ৰে'লপথৰ দ্বৈতকৰণ প্ৰকল্প উদ্বোধন কৰিব।

এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক দেশৰ অষ্টলক্ষ্মী হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ৭৩ হাজাৰ কোটিৰো অধিক টকাৰ বিনিয়োগেৰে উত্তৰ-পূবত বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

ooooooooo

কংগ্ৰেছে আসন্ন লোকসভা নিৰ্বাচনৰ বাবে ৩৯ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। এই অনুসাৰে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে তেওঁৰ বৰ্তমানৰ লোকসভা আসন কেৰালাৰ ৱায়নাড, কে চি বেণুগোপালে অল্লুঝা আৰু শশী থাৰুৰে তিৰুৱনন্তপুৰমৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। ছত্তিশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেল ৰাজনান্দ গাঁও আৰু জোৎস্না মহন্তে কোৰ্বাৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ৰিণ্টচেণ্ট এছ পালা মেঘালয়ৰ ছিলং লোকসভা সমষ্টিত দলীয় প্ৰাৰ্থী হ'ব। দলটোৱে ছত্তিশগড়ৰ ছখন, কৰ্ণাটকৰ

সাতখন, কেৰালাৰ ১৬ খন, তেলেংগানাৰ ৪ খন, মেঘালয়ৰ দুখন আৰু নাগালেণ্ড, ছিকিম, ত্ৰিপুৰা আৰু লাক্ষাদ্বীপৰ একোখনকৈ আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। দলৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটীয়ে প্ৰাৰ্থীৰ নামসমূহ চূড়ান্ত কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১১ মাৰ্চত নতুন দিল্লীত বিভিন্ন ৰাজ্যৰ আত্মনিৰ্ভৰশীল লাখপতি বাইদেউসকলৰ সৈতে মত বিনিময় কৰিব। এই অনুষ্ঠানত অসমৰ ২০ গৰাকী লাখপতি বাইদেউৱে অংশগ্ৰহণ কৰিব। ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে অনুষ্ঠানত অংশগ্ৰহণ কৰিবলগীয়া ২০ গৰাকী লাখপতি বাইদেউক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। মন্ত্ৰী শ্ৰী দাসে গুৱাহাটীৰ অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ কাৰ্যালয়ৰ সভাকক্ষৰ পৰা ভিডিঅ' কনফাৰেন্স যোগে নতুন দিল্লীলৈ যাবলগীয়া লাখপতি বাইদেউৰ সৈতে বাৰ্তালাপ কৰে। আত্মসহায়ক গোটৰ সদস্যা লাখপতি বাইদেউসকলে বিভিন্ন উৎপাদনমুখী আৰু উপাৰ্জনমুখী কামৰ জৰিয়তে কিদৰে সফলতা অৰ্জন কৰিছে, সেই বিষয়ে লাখপতি বাইদেউৰ পৰা মন্ত্ৰীগৰাকী অৱগত হয়। আত্মসহায়ক গোট সমূহৰ উৎপাদন আৰু উপাৰ্জন বৃদ্ধি হৈ অহাটো ৰাজ্যখনৰ অৰ্থনীতিৰ বাবে ইতিবাচক দিশ বুলি তেওঁ মন্তব্য কৰে। মন্ত্ৰী শ্ৰী দাসে লগতে জানিবলৈ দিয়ে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আগন্তুক বৰ্ষত আৰু ২ কোটি মহিলাক লাখপতি বাইদেউ কৰি তোলাৰ পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যখনত ৰূপায়ণ কৰিবলৈ লোৱা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে প্ৰসংগ ক্ৰমে উল্লেখ কৰে।

০০০০০০০০

চেণ্টাৰ ফৰ ৰিচাৰ্চ অন এনাৰ্জী এণ্ড ক্লীন এয়াৰৰ এটা অধ্যয়ন অনুসৰি গুৱাহাটী দেশৰ ভিতৰত ১৯ নম্বৰ স্থানৰ প্ৰদূষিত মহানগৰ হিচাপে পৰিগণিত হৈছে। সংস্থাটোৱে কৰা মাহেকীয়া বায়ু গুণমান অধ্যয়নৰ এই তালিকাত অসমৰ নলবাৰী আৰু নগাঁও নগৰো অন্তৰ্ভুক্ত হৈছে। অসম-মেঘালয় সীমান্তৰ বৰ্ণিহাট দেশৰ ৩০ খন আটাইতকৈ প্ৰদূষিত নগৰ-মহানগৰৰ এই তালিকাৰ প্ৰথম স্থানত আছে। তথ্য অনুসৰি ফেব্ৰুৱাৰীত বৰ্ণিহাটত ২ দশমিক ৫ মাইক্ৰন বা তাতকৈ কম ব্যাসৰ কণাৰ মাহিলী গড় ঘণীভৱন আছিল প্ৰতি ঘনমিটাৰত ১৮৩ মাইক্ৰগ্ৰাম। বিহাৰৰ অৰৰিয়া তালিকাৰ দ্বিতীয় স্থানত আছে। দেশৰ আটাইতকৈ বায়ু প্ৰদূষিত ৩০ খন নগৰ-মহানগৰৰ ভিতৰত নলবাৰী পঞ্চম স্থানত আৰু নগাঁও ২৮ সংখ্যক স্থানত আছে। আনহাতে, উত্তৰ-পূৰ্বাঞ্চলৰ আন এখন নগৰ ত্ৰিপুৰাৰ আগৰতলা তালিকাৰ দ্বাদশ স্থানত আছে। ইয়াৰ বিপৰীতে ফেব্ৰুৱাৰীত অসমৰ শিৱসাগৰ, শিলচৰৰ লগতে মিজোৰামৰ আইজল আৰু মণিপুৰৰ ইম্ফল উত্তৰ-পূৰ্বাঞ্চলৰ নিৰ্মল বায়ুৰ নগৰ হিচাপে চিহ্নিত হৈছে। শিৱসাগৰ দেশৰ ভিতৰতে এইক্ষেত্ৰত দ্বিতীয় স্থানত আছে। সংস্থাটোৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি অনিয়ন্ত্ৰিত উদ্যোগীকৰণ, ৰাজহুৱা পৰিবহণ ব্যৱস্থাৰ আন্তঃগাঁথনি পৰ্যাপ্ত নোহোৱা, জধে-মধে কৰা নিৰ্মাণকাৰ্য, প্ৰদূষণ নিয়ন্ত্ৰণৰ বিজ্ঞানসন্মত ব্যৱস্থাৰ অভাৱ আদি কাৰণতে উত্তৰ-পূৰ্বাঞ্চলৰ নগৰ-মহানগৰকেইখনত প্ৰদূষণৰ মাত্ৰা বৃদ্ধি হৈছে।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত আসন্ন লোকসভা নিৰ্বাচন সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক পৰাগমণি আদিত্য আৰু প্ৰাণজিৎ শইকীয়া সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চোৱাৰ লগতে applications.prasarbharati.org ত আবেদন কৰিব পাৰে। আবেদন পত্ৰ দাখিলৰ অন্তিম দিন ১৯ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

oooooooo

ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে ধৰমশালাত অনুষ্ঠিত চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত ৰোহিত শৰ্মা আৰু শুভমন গীলৰ আকৰ্ষণীয় শতকেৰে শক্তিশালী স্থিতিত উপনীত হৈছে। ভাৰতে আজি খেলৰ তৃতীয় দিনা ৮টা উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ৪৭৩ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব। দ্বিতীয় দিনৰ খেলৰ সামৰণি পৰত কুলদীপ যাদৱে ২৭ আৰু যশপ্ৰীত বুমৰাহে ১৯ ৰান কৰি খেলি আছিল। ভাৰতে হাতত দুটা উইকেট বাকী থকা অৱস্থাত ইংলেণ্ডৰ প্ৰথম ইনিংছতকৈ ২৫৫ ৰানত আগবাঢ়ি আছে।

আলহী দল ইংলেণ্ডে বৃহস্পতিবাৰে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ২১৮ ৰানত প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে ৫টা উইকেট দখল কৰে। ভাৰতে এই পাঁচখনীয়া শৃংখলাত ইতিমধ্যে ৩-১ ফলাফলেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে।

oooooooo

ভাৰতৰ সাত্বিকছাইৰাজ ৰানকীৰেড্ডী আৰু চিৰাগ ছেট্টীৰ যুটিটো ফ্ৰেন্স অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবল্‌ছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতৰ আন এগৰাকী খেলুৱৈ লক্ষ্য সেনেও প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে।

সাত্বিকছাইৰাজ আৰু চিৰাগৰ যুটিটোৱে কালি পেৰিছত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত থাইলেণ্ডৰ ছুপাক জুমক' আৰু কিটনোপ'ং কেডৰেনৰ যুটিটোক ২১-১৯, ২১-১৩ পোনপটীয়া গেমত পৰাস্ত কৰে। ভাৰতীয় যুটিটো আজিৰ ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ ছিঅ' ছেউং জে আৰু কাং মিন হ্যুকৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, লক্ষ্য সেনে কালি পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত ছিংগাপুৰৰ লোহ কিন য়ুক ১৯-২১, ২১-১৫, ২১-১৩ গেমত পৰাস্ত কৰে। অৱশ্যে ভাৰতৰ তৃছা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটিটো চীনৰ চেন কিং চেন আৰু জিয়া ই ফেনৰ হাতত ২১-১৮, ২১-৭ গেমত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। সতীৰ্থ খেলুৱৈ পি ভি সিন্ধুও মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত চীনৰ চেন য়ু ফেইৰ হাতত ২৪-২২, ১৭-২১, ১৮-২১ গেমত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বিদায় লৈছে।

oooooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ বিভিন্ন বাতৰি সবিস্তাৰে প্ৰকাশ পাইছে। আসন্ন লোকসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে ১৯৫ জনীয়া প্ৰথমখন প্ৰাৰ্থী তালিকা এসপ্তাহ পূৰ্বে প্ৰকাশ কৰাৰ পাছত কংগ্ৰেছে

প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। এই বাতৰি প্ৰকাশ কৰি **দৈনিক অসম** কাকতৰ বাতৰিৰ শিৰোনাম 'কংগ্ৰেছৰ ৩৯ জনীয়া প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ'। কালি কাজিৰঙাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত হয়। প্ৰধানমন্ত্ৰীৰ আগমনৰ এই বাতৰিটো **দৈনিক জনমভূমি** কাকতে - 'ৰাষ্ট্ৰীয় পথত অগণন লোকৰ মোদীক সম্ভাষণ' শিৰোনামেৰে প্ৰকাশ কৰে। 'খালিস্তানী বন্দীক সহায় কৰাৰ অভিযোগত গ্ৰেপ্তাৰ ডিব্ৰুগড়ৰ জেইলাৰ' শিৰোনামেৰে **আমাৰ অসম** কাকতে ৰাষ্ট্ৰদ্ৰোহৰ গোচৰত কেন্দ্ৰীয় কাৰাগাৰত কাৰাবন্দী খালিস্তানপন্থী নেতাক বৈদ্যুতিক আৰু আপত্তিজনক সামগ্ৰী যোগান ধৰাৰ অভিযোগত ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰৰ অধীক্ষক নৃপেন দাসক গ্ৰেপ্তাৰ কৰা বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। চৰকাৰৰ প্ৰতিটো কাৰ্যৰে সমালোচনা কৰাৰ অধিকাৰ দেশৰ প্ৰতিজন নাগৰিকৰে আছে। এই সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ এটা গুৰুত্বপূৰ্ণ ৰায়ৰ বাতৰি প্ৰকাশ কৰি **অসমীয়া প্ৰতিদিন** কাকতৰ শিৰোনাম 'চৰকাৰৰ কাৰ্যক সমালোচনা কৰাৰ অধিকাৰ আছে নাগৰিকৰ' শিৰোনামেৰে প্ৰকাশ কৰিছে। ৰাজীৱ ভৱনত আয়োজন কৰা এখন সংবাদমেলত ৰাহুল গান্ধীয়ে দেশবাসীক দিয়া ৫ টা গেৰ্‌যান্টিৰ কথা দেৱব্ৰত শইকীয়াই প্ৰকাশ কৰে। এই সন্দৰ্ভত **অসমীয়া খবৰ** কাকতৰ বাতৰিৰ শিৰোনাম ক্ষমতালৈ আহিলে ৫ টা গেৰ্‌যাণ্টী পূৰণ কৰাৰ প্ৰতিশ্ৰুতি কংগ্ৰেছৰ। 'ন্যায়াধীকৰণৰ দ্বাৰা বিদেশী ঘোষিত ৮৫ শতাংশই স্বদেশী প্ৰমাণিত হয়' শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে বিদেশী ন্যায়াধীকৰণৰ বহু গোচৰ পৰৱৰ্তী সময়ত অৰ্থহীন হৈ পৰাৰ বাতৰি সবিস্তাৰে প্ৰকাশ কৰিছে। অসম-মেঘালয় সীমান্তৰ বৰ্ণিহাট দেশৰ আটাইতকৈ প্ৰদূষিত অঞ্চল হিচাপে পৰিগণিত হৈছে। এই সন্দৰ্ভত বাতৰি প্ৰকাশ কৰি **The Assam Tribune** কাকতে Byrnihat most polluted in Country, Guwahati 19th Report. আসন্ন লোকসভা নিৰ্বাচনৰ সময়তো অসমৰ সাংসদে সাংসদ পুঁজিৰ নিৰ্ধাৰিত ধন খৰচ কৰিব পৰা নাই। **The Sentinel** কাকতে এই সন্দৰ্ভত Assam MPs still to spend Rupees 18 Crore শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – অসম সহ তিনি ৰাজ্যৰ ৩১ জিলাৰ ২৯ লাখ পৰিয়াললৈ পাইপেৰে ৰন্ধন গেছ, মোদীক আদৰিলেও কা বলৰতৰ সিদ্ধান্তক ধিক্কাৰ টাইপাৰ, নাৰী শক্তিক গুৰুত্ব মোদীৰ, ৰন্ধন গেছত কমিল ১০০ টকা ইত্যাদি। এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

**সমাপ্ত**